# REGIONAL NEWS UNIT
AKASHVANI :: GUWAHATI
0000000000

**Date : 29-05-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***:::::::::::::::::::::::::::::::***

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শ্ৰীশ্ৰী অনিৰুদ্ধ দেৱ প্ৰেক্ষাগৃহত বিশ্ববিদ্যালয়ৰ প্ৰকাশন শাখাই প্ৰকাশ কৰা তিনিখন গ্ৰন্থ উন্মোচন কৰা হয়। ইয়াৰ লগতে অসম সাহিত্য সভাই সাহিত্যাচাৰ্য সন্মানেৰে বিভূষিত কৰা বিশ্ববিদ্যালয়ৰ তিনিগৰাকী প্ৰাক্তন অধ্যাপকক সম্বৰ্ধনা জনোৱা হয়। ড০ জ্যোতি প্ৰসাদ শইকীয়া আৰু ড০ পৰমানন্দ সোণোৱালে সম্পাদনা কৰা দ্যা ব্ৰহ্মপুত্ৰ ঃ লাইফ লাইন অব নৰ্থ-ইষ্ট ইণ্ডিয়া শীৰ্ষক ইংৰাজী ভাষাৰ গ্ৰন্থখন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ জিতেন হাজৰিকাই উন্মোচন কৰে। ড০ পূৰবী দেৱীৰ আধুনিক বিজ্ঞান আৰু নাৰী জাগৰণ শীৰ্ষক গ্ৰন্থখন বিশিষ্ট সাহিত্যিক ড০ কৰবী ডেকা হাজৰিকাই আৰু বিশিষ্ট ভূতাত্বিক ড০ যোগেন্দ্ৰ নাথ শৰ্মাৰ আলফ্ৰেড ৱেগনাৰ শীৰ্ষক গ্ৰন্থখন ভাষা বিজ্ঞানী ড০ ভীমকান্ত বৰুৱাই উন্মোচন কৰে। আজিৰ এই গ্ৰন্থ উন্মোচনী তথা সম্বৰ্ধনা জ্ঞাপন অনুষ্ঠানত বহুকেইগৰাকী বিশিষ্ট ব্যক্তিৰ লগতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক, শিক্ষাৰ্থী আৰু গৱেষকো উপস্থিত থাকে।

০০০০০

তিনিচুকীয়া চহৰক বানমুক্ত কৰাৰ উদ্দেশ্যে আজি তিনিচুকীয়াৰ জিলা আয়ুক্ত স্বপ্নীল পালৰ সভাপতিত্বত এখন সভা অনুষ্ঠিত হয়। এই সভাত বিধায়ক সঞ্চয় কিষাণ, পৌৰ সভাৰ সভাপতি পুলক চেতীয়াসহ সকলো ৱাৰ্ড কমিচনাৰ নগৰ প্ৰশমন বিভাগৰ অতিৰিক্ত আয়ুক্ত মিৰ্জানা হুছেইন, বিশ্বজিৎ ভূঞা, প্ৰতাপ হাজৰিকা, আদিকে ধৰি ভালেমান লোক উপস্থিত থাকে। সভাত চৰহখনত সময়ে সময়ে উদ্ভৱ হোৱা বান পৰিস্থিতিৰ বিস্তৃত পৰ্যালোচনা কৰি উপযুক্ত পদক্ষেপ গ্ৰহণ সন্দৰ্ভত আলোচনা কৰা হয়।

০০০০০

ৰাজ্যিক বিজেপিৰ সভাপতি তথা সাংসদ দিলীপ শইকীয়াৰ নেতৃত্বত সমগ্ৰ অসমতে ভাৰতীয় জনতাপাৰ্টীয়ে ব্যাপক সাংগঠনিক অভিযান আৰম্ভ কৰিছে। ৰাজ্যৰ ৩৯ খন সাংগঠনিক জিলাতেই বুথ, শক্তিকেন্দ্ৰৰ লগত মণ্ডলসমূহ অধিক শক্তিশালী কৰাৰ বাবে দলটোৱে তৎপৰতা অব্যাহত ৰাখিছে। এই সন্দৰ্ভত দলৰ মুখপাত্ৰ সুভাষ দত্তই জনোৱা মতে কাইলৈৰ পৰা ১৫ জুনলৈ প্ৰথম পৰ্যায়ত ৩৯ খন সাংগঠনিক জিলাত জিলা কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হ'ব। পৰৱৰ্তী পৰ্যায়ত ১৫ জুনৰ পৰা ২৫ জুনলৈকে অসমৰ ৪৩৩ টা মণ্ডুলত মণ্ডল কাৰ্যনিৰ্বাহক অনুষ্ঠিত কৰাৰ বাবে ৰাজ্যিক বিজেপিয়ে সিদ্ধান্ত গ্ৰহণ কৰিছে।

০০০০০

কেন্দ্ৰীয় মন্ত্ৰী তথা ডিব্ৰুগড় সংসদীয় সমষ্টিৰ সাংসদ সৰ্বানন্দ সোণোৱালৰ এটা কাৰ্যালয় আজি ডিব্ৰুগড়ৰ মিলন নগৰত আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। বিজেপিৰ জিলা সভাপতি দুলাল বৰাই উদ্বোধন

কৰা অনুষ্ঠানত ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ডাঃ চৈকত পাত্ৰ, ডিব্ৰুগড় উন্নয়ন প্ৰাধীকৰণৰ সভাপতি অসীম হাজৰিকা, জিলা প্ৰাক্তন সভাপতি উজ্বল কাশ্যপকে ধৰি বহু দলীয় কৰ্মকৰ্তা উপস্থিত থাকে।

ooooo

শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে আজি আকস্মিকভাৱে ৰংঘৰ পৰিদৰ্শন কৰে। আহোম ৰাজত্বৰ ঐতিহ্যবাহী স্মাৰক ৰংঘৰৰ সংৰক্ষণৰ দায়িত্ব পুৰাতত্ব বিভাগৰ হাতত ন্যাস্ত আছে যদিও বিভাগটোৱে ঠিকমতে এই দায়িত্ব পালন কৰা নাই বুলি বিধায়কগৰাকীয়ে অসন্তুষ্টি প্ৰকাশ কৰে। এই সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি বিধায়ক শ্ৰী গগৈয়ে কয়, যে এই ঐতিহাসিক স্থানখনৰ সংৰক্ষণৰ ক্ষেত্ৰত পুৰাতত্ব বিভাগৰ গাফিলতি স্পষ্ট। ৰংঘৰৰ দৰে ঐতিহাসিক সম্পদৰ এই দুৰৱস্থাই আমাৰ সকলোকে লজ্জিত কৰিছে বুলিও শ্ৰী গগৈয়ে কয়। বিভাগটোৰ গাফিলতা সন্দৰ্ভত উৰ্ধতম চৰকাৰী কৰ্তৃপক্ষক অভিযোগ দাখিল কৰিব বুলিও শিৱসাগৰৰ বিধায়কগৰাকীয়ে প্ৰকাশ কৰে।

ooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে পৰহিলৈ নিশা ৮ বাজি ২ মিনিটত ইয়াৰ দৃষ্টিপাত অনুষ্ঠানত সেনাবাহিনীত কৰ্মসংস্থাপনৰ সুবিধা শীৰ্ষক এটা বিশেষ আলোচনা অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত নৌ-বাহিনীৰ অৱসৰপ্ৰাপ্ত কমোডৰ কমলেশ চৌধুৰী আৰু স্থল সেনাবাহিনীৰ অৱসৰপ্ৰাপ্ত ব্ৰিগেডিয়াৰ বলেন্দ্ৰ গোস্বামীয়ে অপাৰেচন সিন্দূৰত সেনাবাহিনীৰ সফলতাৰ আঁৰৰ কথাও প্ৰকাশ কৰিব। এই অনুষ্ঠানটিৰ আঁত ধৰিব আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে। এই অনুষ্ঠান আকাশবাণী গুৱাহাটীৰ ১০১ দশমিক ৬ মেগাহাৰ্টজ, অল ইণ্ডিয়া ৰেডিঅ' এপৰ লগতে ফে'চবুক পেজ AIRNEWSGHY.RNUত আৰু ইউটিউব চেনেল @AIRNEWSGUWAHATI ত লাইভ ষ্ট্ৰিমিঙতো শুনিবলৈ পাব।

ooooo

গুৱাহাটী মহানগৰীত যোৱা নিশাৰে পৰা হোৱা ধাৰাষাৰ বৰষুণৰ ফলত স্বাভাৱিক জীৱনযাত্ৰা ব্যাহত হৈছে। পুৱাৰ ভাগত মহানগৰীৰ বিভিন্ন অঞ্চলত সৃষ্টি হোৱা কৃত্ৰিম বানৰ ফলত কৰ্মক্ষেত্ৰলৈ যাত্ৰা কৰা লোকসকলৰ লগতে ছাত্ৰ-ছাত্ৰীসকল বাৰুকৈ অসুবিধাৰ সন্মুখীন হয়। মহানগৰীৰ জটিয়া, কাহিলিপাৰা, হাতীগাঁও, বশিষ্ঠ, ছাৰ্ভে, ৰুক্মিনীগাঁও, অনিল নগৰ, বামুণীমৈদাম, চানমাৰি, বড়িপাৰাৰ উপৰি খানাপাৰাৰ পৰা জালুকবাৰী অভিমুখী ৰাষ্ট্ৰীয় ঘাইপথৰ বহু অংশত পানী জমা হোৱাৰ ফলত সমস্যাৰ সৃষ্টি হৈছে। কেইবাটাও অঞ্চলত বহু যান-বাহনৰ যান্ত্ৰিক বিজুতিৰ ফলত তীব্ৰ যান-জঁটৰ সৃষ্টি হৈছে।

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসমসহ উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্য, পশ্চিমবংগৰ হিমালয়ৰ পাদদেশ অঞ্চল আৰু ছিকিমত বৰষুণৰ সম্ভাৱনালৈ চাই আজি আৰু কাইলৈৰ বাবে ৰাজ্যৰ কেইবাখনো জিলাৰ বাবে ৰেড এলাৰ্ট জাৰি কৰিছে। বতৰ বিজ্ঞান বিভাগে লগতে পৰৱৰ্তী দুই-তিনি দিনত ৰাজ্যৰ পশ্চিম আৰু দক্ষিণ প্ৰান্তত ধাৰাষাৰ বৰষুণ হোৱাৰ আগলি বতৰা দিছে। বিভাগটোৰ বতৰা অনুসৰি ওড়িশাৰ উপকূল ভাগৰ সমীপৰ উত্তৰ-পশ্চিম বংগোপসাগৰত নিম্ন চাপৰ সৃষ্টি হৈছে। পৰৱৰ্তী ২৪ ঘণ্টাত এই নিম্ন চাপ গভীৰ নিম্ন চাপলৈ ৰূপান্তৰ হোৱাৰ সম্ভাৱনা আছে। ইয়াৰ প্ৰভাৱত কাছাৰ, হাইলাকান্দি, শ্ৰীভূমি, ধুবুৰী, দক্ষিণ শালমাৰা

মানকাচৰ, গোৱালপাৰা, বৰপেটা, বঙাইগাঁও, পশ্চিম কাৰ্বি আংলং, কোকৰাঝাৰ, চিৰাং, বজালী, বাক্সা, কামৰূপ মহানগৰ, দৰং, ওদালগুৰি, মৰিগাঁও, নগাঁও, হোজাই, শোণিতপুৰ, ডিমা হাচাও, তামুলপুৰ আৰু নলবাৰীত বিজুলী ঢেৰেকনিৰে ধাৰাষাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান বিভাগে সকীয়াই দিছে।

ooooo

সমাপ্ত